অসমীয়া প্ৰতিদিন

# ৰঙিয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক, আন্তৰ্জাতিক যুৱ দিৱস পালন



**ৰঙিয়া, ১২ আগষ্ট ঃ** ৰঙিয়া মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে গ্ৰন্থাগাৰিক দিৱস আৰু আন্তৰ্জাতিক যুৱ দিৱস পালন কৰা হয়। মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক আৰু মহিলা অধ্যয়ন গৱেষণা কেন্দ্ৰৰ দ্বাৰা এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেইবাজনো বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। মহিলা গৱেষণা কেন্দ্ৰৰ আহ্বায়িকা বিজুলী চক্ৰৱৰ্তী আৰু গ্ৰন্থাগাৰিক মঞ্জুশ্ৰী দেৱীয়ে আঁত ধৰা অনুষ্ঠানটোত মনোৰোগ বিশেষজ্ঞ হেপী বাগলাৰী, ডাউন টাউন চিকিৎসালয়ৰ মনোৰোগ বিশেষজ্ঞ ডাঃ প্ৰবীৰ ঠাকুৰীয়া, ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° ভবেন্দ্ৰ নাথ ডেকা, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়া আদিও উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি ৰঙিয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° ভবেন্দ্ৰ নাথ ডেকাই গ্ৰন্থ অধ্যয়নে এজন ছাত্ৰক দুশ্চিন্তাৰ পৰা মুক্ত কৰাই নহয়, এটা ভাল অভ্যাস গঠনত সহায় কৰে বুলি কয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াই গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি 'ইউথ' ষ্ট্ৰেছ এণ্ড এডিকচন' শীৰ্ষক বিষয়ত সমল ব্যক্তিদ্বয়ে বক্তব্য আগবঢ়ায়। হেপী বাগলাৰীয়ে বয়ঃসন্ধি কালত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দুশ্চিন্তাত ভোগে বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলে দুশ্চিন্তাৰ পৰা মুক্ত হৈ কেনেদৰে সফল হ'ব পাৰে সেই বিষয়ে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। মনোৰোগ বিশেষজ্ঞ ডাঃ প্ৰবীৰ ঠাকুৰীয়াই ড্ৰাগছমুক্ত হৈ কেনেদৰে আগবাঢ়ি যাব পাৰি সেই বিষয়ে বিভিন্ন পৰামৰ্শ দি ষ্ট্ৰেছ থাকিলেহে কিছু ক্ষেত্ৰত সফল হ'ব পাৰি বুলি মন্তব্য কৰে। এই দিৱস উপলক্ষে বিভাগটোৰ ফালৰ পৰা গ্ৰন্থাগাৰ ব্যৱহাৰত আগ্ৰহ সৃষ্টিৰ লক্ষ্যৰে আগবঢ়োৱা হয় শ্ৰেষ্ঠ ব্যৱহাৰকাৰী বঁটা। বঁটা লাভ কৰে ক্ৰমে ৰসায়ন বিভাগৰ ড° গীতিমণি ডেকা, কৰ্মচাৰী জয়ন্ত দাস আৰু ইংৰাজী বিভাগৰ ছাত্ৰী সৃজনা চেত্ৰীয়ে। গ্ৰন্থাগাৰিক দিৱস উপলক্ষে অনুষ্ঠিত কৰা সৃজনাত্মক লেখা প্ৰতিযোগিতাত গল্প আৰু কবিতাত তিনিগৰাকীকৈ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে বিশেষ বঁটা লাভ কৰে। গল্প প্ৰতিযোগিতাত প্ৰথম কিন্নাৰী ৰাভা, (অৰ্থনীতি বিভাগ, স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক), দ্বিতীয় পূজা কুমাৰী ৰয়, (চতুৰ্থ ষাণ্মাসিক), তৃতীয় ডেইজী শৰ্মাই (অৰ্থনীতি বিভাগ স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক) পুৰস্কাৰ লাভ কৰে। কবিতা প্ৰতিযোগিতাত প্ৰথম কিন্নাৰী ৰাভা, দ্বিতীয় চুমী শৰ্মা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে বেঞ্জামিন তালুকদাৰে। সভাত উপস্থিত থকাসকলক অধ্যাপিকা ড° ৰুবী শৰ্মাই শলাগৰ শৰাই আগবঢ়াই কয় যে এনে অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত উপকৃত কৰিব।